RNI REGN. No. :
epaper.asc
Portal : www.
e-mail : asom

# অসম আদিত্য

৭ ■ ১৫ শাওণ, ১৯৪৫ শক ■ মঙলবাৰ, ১ আগষ্ট, ২০২৩ ■ Asom Aditya, Dibrugarh, Tuesday, August 1, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

## কানৈৰ অধ্যক্ষ, বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়াৰ দুখন গ্ৰন্থ উন্মোচন

# সংখ্যাৰ ধাৰণাইহে গুণ নিৰূপণ কৰে ঃ উপাচাৰ্য ড° জিতেন হাজৰিকা



ডিব্ৰুগড়, ৩১ জুলাই ঃ 'সংখ্যাৰ ধাৰণাইহে গুণ নিৰূপণ কৰে। সংখ্যাৰ হিচাপ অবিহনে কোনো বস্তুৰে গুণ নিৰূপণ কৰিব পৰা নাযায়।' ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত ড০ শশীকান্ত শইকীয়াৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই আজি এইদৰে কয়। উপাচাৰ্যগৰাকীয়ে অধ্যক্ষ ড০ শইকীয়াই নিৰলসভাৱে যি সাহিত্য চৰ্চা কৰি আহিছে তাৰ ফলশ্ৰুতিতে আজি তেওঁ ৩০ খনকৈ গ্ৰন্থ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰি কয়— গ্ৰন্থ প্ৰকাশৰ এই সংখ্যাই তেওঁৰ সাহিত্য চৰ্চাৰ গুণ পোহৰাই তুলিবলৈ সক্ষম হৈছে। মুখ্যদ্বাৰৰ পৰা সভাগৃহলৈ এনচিচিৰ কেডেটে আদৰণি জনাই অনা সভাখনত তেওঁ কয়— সমাজ তথা দেশৰ উন্নতিৰ ধাৰা অব্যাহত ৰাখিবলৈ হ'লে প্ৰথমে নিজৰ পৰিয়ালৰ চিন্তা তাৰ পিছত জিলাৰ চিন্তা, ৰাজ্যৰ চিন্তা তথা দেশৰ চিন্তা কৰিলেহে প্ৰকৃত উন্নতি লাভ কৰিব পাৰি। ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক যাদৱ গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জে পি বাৰ্মাই গ্ৰন্থ উন্মোচন কৰি কয়— জীৱনৰ সিদ্ধান্ত ল'ব পৰাটো এটা ডাঙৰ গুণ। এটা সঠিক সিদ্ধান্তই জীৱন সলনি কৰিব পাৰে। একাগ্ৰতাৰে সঠিক সিদ্ধান্ত লৈ নিজ কৰ্ম কৰি গ'লে জীৱনত সফলতা লাভ কৰিব পাৰি। তেওঁ কয় অধ্যক্ষ ড০ শইকীয়াই সমাজৰ হকে যি কৰ্ম কৰি গৈছে সেই কৰ্ম সমাজৰ প্ৰতিজন ব্যক্তিয়ে মনত ৰখা উচিত। তেওঁ অধ্যক্ষগৰাকীৰ গ্ৰন্থ প্ৰকাশৰ এই ধাৰাক সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে অনাগত দিনত আৰু অধিক গ্ৰন্থ লাভ কৰাৰ আশা প্ৰকাশ কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডীন অৱ ফেকাল্টি অৱ ছাইঞ্চ তথা প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী ড০ যোগেনচন্দ্ৰ কলিতাই কয়— এটা অনুষ্ঠান পৰিচালনা কৰাৰ ক্ষেত্ৰত নেতৃত্বই মূল বস্তু। সবল নেতৃত্ব অবিহনে কোনো অনুষ্ঠানেই উন্নতি লাভ কৰিব নোৱাৰে। তেওঁ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই অধ্যক্ষৰ দৰে এক গুৰু দায়িত্ব পালন কৰাৰ উপৰি ৩১ জুলাই দিনটো তেওঁৰ ওপজা দিনৰ লগত সংগতি ৰাখি প্ৰতিবছৰে গ্ৰন্থ প্ৰকাশৰ যি ধাৰা অব্যাহত ৰাখিছে তাৰ বাবে অধ্যক্ষগৰাকীক ওপজা দিনৰ ওলগ জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে। বিশিষ্ট শিল্পী জিণ্টি গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা অভিমন্যু বৰুৱাই কয়— মৃত্যুৰ পিছত মানুহক সকলোৱে পাহৰি যায়, কিন্তু মানুহজনে কৰি যোৱা কৰ্মক কেতিয়াও পাহৰি নাযায়। নিজৰ কৰ্মৰ জড়িয়তে মানুহ সদায় সমাজত জীয়াই থাকিব পাৰে। বিশিষ্ট শিল্পী চন্দনা শৰ্মাৰ বেহেলা বাদনেৰে সকলোকে আপ্লুত কৰা অনুষ্ঠানটোত ডিব্ৰুগড় জিলা উন্নয়ন বিষয়া জিতু দাসে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ব্যস্ততাপূৰ্ণ জীৱনৰ মাজত সাহিত্যচৰ্চাৰ যি ধাৰা অব্যাহত ৰাখিছে তাৰ বাবে ধনাব্যদ জ্ঞাপন কৰে। অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড০ ভাৰতী দত্ত, ড০ চুলতানা হাজৰিকাৰ লগতে কেইবাজনো ব্যক্তিয়ে মননশীল বক্তব্য প্ৰদান কৰে। শিল্পী ৰীতামণি শইকীয়াৰ লোকগীত আৰু চুলতানা হাজৰিকাৰ কবিতা পাঠেৰে মুগ্ধ কৰা অনুষ্ঠানটোত ডিব্ৰুগড় সাহিত্য সভাকে ধৰি ডেৰ কুৰিৰো অধিক দল-সংগঠন তথা ব্যক্তিয়ে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক ওপজা দিনৰ ওলগ যাচে। উল্লেখ্য যে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক পুৱা ৫ বজাতে কানৈ মহাবিদ্যালয়ৰ গ্ৰীণ ক্লাবৰ সদস্যসকলে কেক্ কাটি জন্মদিনৰ ওলগ যচাৰ লগতে মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগ, মনোবিজ্ঞান বিভাগ আৰু কৰ্মচাৰীবৃন্দই অধ্যক্ষগৰাকীক জন্মদিনৰ ওলগ যাচে। অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই মনৰ অনুভৱ প্ৰকাশ কৰাৰ লগতে অনুষ্ঠানটোত উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত সহায় কৰাৰ বাবে উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ভালেকেইজন অধ্যাপক-অধ্যাপিকা, ডিব্ৰুগড় সাহিত্য সভাৰ বিষয়ববীয়াকে ধৰি ডিব্ৰুগড় চহৰৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰাই।

# মণিপুৰৰ হিংসাৰ অৱসানৰ আহ্বান টাই আহোম জাতীয় পৰিষদৰ

বেদক, ৰাজগড়, ৩১ জুলাইঃ মণিপুৰত সংঘটিত হিংসাত্মক
ত অসমৰ সকলোবোৰ আহোম সংগঠন আৰু বিশিষ্ট
বে গঠিত আহোম সমাজৰ উমৈহতীয়া মঞ্চ টাই আহোম
য় পৰিষদে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিগত কেইবামাহ
ৰাজ্যখনত গোষ্ঠী সংঘৰ্ষ আৰু মহিলাৰ ওপৰত হোৱা
অত্যাচাৰক তীব্ৰ ভাষাৰে গৰিহণা দি টাই আহোম জাতীয়
দে শান্তিৰ বাতাৱৰণ গঢ়ি তুলিবলৈ সকলো পক্ষক এক
যোগে আহ্বান জনাইছে। পৰিষদৰ সভাপতি ৰাজকুমাৰ
াক নাৰায়ণ সিংহ, কাৰ্যকৰী সভাপতি ড০ দয়ানন্দ
াইঁহি আৰু সাধাৰণ সম্পাদক অমৰজ্যোতি আৰন্ধৰাই
া কৰা বিবৃতিযোগে কয়— আহোম আৰু মণিপুৰীসকলৰ মাজত এক ঐতিহাসিক সু-সম্পৰ্ক আছে। গতিকে মণিপুৰত সংঘটিত গোষ্ঠীগত হিংসাত্মক ঘটনাই আমাক অতিকৈ ব্যথিত কৰি তুলিছে। মণিপুৰবাসীৰ লগত আহোম সমাজ সদায়ে থকা বুলি উল্লেখ কৰি বিবৃতিটোত মণিপুৰৰ সকলোবোৰ জনগোষ্ঠীয়লোকক হিংসা মনোভাব পৰিহাৰ কৰি শান্তি-সম্প্ৰীতিৰ বাতাৱৰণ গঢ়ি তুলি টাই আহোম জাতীয় পৰিষদে আহ্বান জনাইছে। উল্লেখ্য যে মণিপুৰৰ ৰাজ পৰিয়ালৰ লোকে আহোম ৰাজপৰিয়ালৰ বংশধৰ তথা টাই আহোম জাতীয় পৰিষদৰ সভাপতি ৰাজকুমাৰ আলোক নাৰায়ণ সিংহৰ পৰা মণিপুৰত শান্তি-সম্প্ৰীতি ৰক্ষাৰ বাবে সহযোগিতা বিচাৰি এখন পত্ৰ প্ৰেৰণ কৰিছে।